**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-04-2024
**Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে আজি মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ সামৰণি পৰে।

২। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, এন ডি এ চৰকাৰে ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বাবে সৰ্বতোপ্ৰকাৰে চেষ্টা চলাই আছে।

৩। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি মুম্বাইৰ ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানত দেশৰ প্ৰথমটো থলুৱাভাৱে নিৰ্মিত **চি এ আৰ-টি** চিকিৎসা ব্যৱস্থা ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে।

৪। জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধী আৰু কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি ৰাজ্যসভাৰ সাংসদ হিচাপে শপত গ্ৰহণ কৰে। ***আৰু***

৫। গুজৰাট টাইটানছ কিছু সময়ৰ পাছত আহমেদাবাদত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে আজি মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ সামৰণি পৰে। এই পৰ্যায়ত আউটাৰ মণিপুৰৰ কিছু অংশৰ লগতে ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৮৮টা সংসদীয় সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। আউটাৰ মণিপুৰ সমষ্টিৰ কিছু অংশৰ বাবে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। দ্বিতীয় পৰ্যায়ত সামৰিব ল'বলগীয়া সমষ্টি কেইটাৰ ভিতৰত কেৰালাৰ ২০টা, কৰ্ণাটকৰ ১৪টা, ৰাজস্থানৰ ১৩টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ ৮টাকৈ, মধ্যপ্ৰদেশৰ ৭টা, অসম আৰু বিহাৰৰ ৫টাকৈ, পশ্চিমবংগ আৰু ছত্তিশগড়ৰ ৩টাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা তথা জম্মু-কাশ্মীৰৰ এটাকৈ সমষ্টি আছে। এই পৰ্যায়ৰ বাবে ২৬ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত সাঙুৰি লোৱা জম্মু-কাশ্মীৰৰ সমষ্টিটোৰ বাহিৰে বাকী সমষ্টি কেইটাৰ বাবে কাইলৈ মনোনয়ন পত্ৰ পৰীক্ষা কৰা হ'ব। জম্মু-কাশ্মীৰত ৬ এপ্ৰিলত মনোনয়ন পৰীক্ষা কৰা হ'ব।

0000000

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, এন ডি এ চৰকাৰে ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বাবে সৰ্বতোপ্ৰকাৰে চেষ্টা চলাই আছে। বিহাৰৰ জমুইত আজি এখন নিৰ্বাচনী সভাত ভাষণত দি প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, আসন্ন লোকসভা নিৰ্বাচন ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ নিৰ্বাচন হিচাপে পৰিগণিত হৈছে। তেওঁ কয় যে, ভাৰত চন্দ্ৰপৃষ্ঠৰ দক্ষিণ মেৰুত সফলতাৰে মহাকাশযান অৱতৰণ কৰিবলৈ সক্ষম হোৱা বিশ্বৰ প্ৰথমখন দেশৰূপে পৰিগণিত হৈছে। ভাৰত বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰূপে পৰিগণিত হোৱা বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয় যে, বিজেপি নেতৃত্বাধীন চৰকাৰৰ অধীনত ভাৰতে সন্ত্ৰাসবাদী কাৰ্যকলাপত লিপ্ত হোৱা আৰু এনে কাৰ্যৰ প্ৰতি সমৰ্থন আগবঢ়োৱাসকলক যোগ্য প্ৰত্যুত্তৰ দিবলৈ আৰম্ভ কৰিছে আৰু মগধ সাম্ৰাজ্যৰ প্ৰাচীন গৌৰৱ ঘূৰাই আনিবলৈ সমৰ্থ হৈছে। কংগ্ৰেছ ক্ষমতাত থকাৰ সময়ত ঘেঁহুৰ ৰপ্তানিৰ ওপৰত নিৰ্ভৰশীল সৰু দেশসমূহেও ভাৰতত সন্ত্ৰাসবাদী আক্ৰমণ সংঘটিত কৰাব পাৰিছিল বুলি প্ৰধানমন্ত্ৰীয়ে কয়। শ্ৰী মোদীয়ে ভাষণ প্ৰসংগত আৰ জে ডিৰ সভাপতি লালুপ্ৰসাদ যাদৱ অভিযুক্ত হোৱা ভূমিৰ বিনিময়ত চাকৰি কেলেংকাৰিৰ কথা উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে, কংগ্ৰেছৰ শাসনকালত বিশ্ব প্ৰেক্ষাপটত ভাৰতৰ ছবি দুৰ্বল ৰাষ্ট্ৰৰ আছিল যদিও এন ডি এ বিগত ১০ বছৰত দেশক শক্তিশালী কৰি তুলিছে । তেওঁ কয় যে,

নিৰ্ণায়ক নীতিৰ বাবে বিশ্ব প্ৰেক্ষাপটত ভাৰতৰ শক্তি পুনৰ প্ৰতিপন্ন হৈছে । চৰকাৰে অযোধ্যাত পবিত্ৰ ৰাম মন্দিৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰি ভক্তসকলৰ ৫০০ বছৰীয়া পুৰণি সপোন পূৰণ কৰা বুলি প্ৰধানমন্ত্ৰীয়ে দাবী কৰে। তেওঁ কয় যে, বিহাৰৰ জনসাধাৰণে জননায়ক কৰ্পূৰী ঠাকুৰক দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্নৰে বিভূষিত কৰাৰ বাবে দীৰ্ঘদিন ধৰি দাবী উত্থাপন কৰি আহিছিল আৰু এই দাবী এন ডি এ চৰকাৰে পূৰণ কৰিছে। প্ৰধানমন্ত্ৰীয়ে আজি জমুইৰ পৰা লোক জনশক্তি পাৰ্টি ৰামবিলাসৰ প্ৰাৰ্থী অৰুণ ভাৰতীৰ হকে প্ৰচাৰ চলায়। জে ডি ইউৰ সভাপতি তথা বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, বিজেপিৰ নেতা সম্ৰাট চৌধৰী, বিজয় কুমাৰ সিনহা, লোক জনশক্তি পাৰ্টি ৰামবিলাসৰ সভাপতি চিৰাগ পাছোৱান, ৰাষ্ট্ৰীয় লোকমৰ্চাৰ মুৰব্বী উপেন্দ্ৰ কুশ্বাহা আৰু হিন্দুস্তানী আৱাম মৰ্চাৰ কেইবাগৰাকীও নেতা এই নিৰ্বাচনী সভাত উপস্থিত থাকে। চিৰাগ পাছোৱান নেতৃত্বাধীন লোক জনশক্তি পাৰ্টি ৰামবিলাসে জমুই সংসদীয় আসনৰ পৰা এইবেলি একেৰাহে তৃতীয়বাৰৰ বাবে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে।

০০০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি মুম্বাইৰ ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানত দেশৰ প্ৰথমটো থলুৱাভাৱে নিৰ্মিত **চি এ আৰ-টি** চিকিৎসা ব্যৱস্থা ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে, অতিকে সুলভ আৰু বহনসাধ্য **চি এ আৰ-টি কোষ** চিকিৎসাই সমগ্ৰ মানৱ জাতিৰ বাবে আশাৰ নতুন ৰেঙণি কঢ়িয়াই আনিছে। ভাৰতৰ প্ৰথম জিন চিকিৎসা ব্যৱস্থাই অগণন ৰোগীক নতুন জীৱন প্ৰদান কৰিবলৈ সমৰ্থ হ'ব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে। শ্ৰীমতী মুৰ্মুৱে কয় যে, এই চিকিৎসা ব্যৱস্থা ৰূপায়ণৰ ফলত আটাইতকৈ উদ্ভাৱনমূলক প্ৰযুক্তি মঞ্চৰ সুবিধা গ্ৰহণ কৰিবলৈ সক্ষম হোৱা আগশাৰীৰ আৰু অত্যাধুনিক চিকিৎসা সেৱাৰে সু-সজ্জিত দেশৰ তালিকাত ভাৰতবৰ্ষৰ নাম অন্তৰ্ভুক্ত হ'ল। এন ই এক্স চি এ আৰ নাইণ্টিন **চি এ আৰ-টি** চিকিৎসা ভাৰতবৰ্ষৰ থলুৱাভাৱে বিকশাই তোলা এনেধৰণৰ প্ৰথম চিকিৎসা ব্যৱস্থা। এন ই এক্স চি এ আৰ নাইণ্টিন বিশ্বৰ আটাইতকৈ বহনসাধ্য চি এ আৰ-টি চিকিৎসা ব্যৱস্থা। মহাৰাষ্ট্ৰৰ ৰাজ্যপাল ৰমেশ বেইছে কৈছে যে, চি এ আৰ-টি কোষ চিকিৎসা অকল জ্যেষ্ঠ ৰোগীসকলৰ বাবে নহয়, বৰং শিশু কৰ্কট ৰোগীসকলৰ বাবেও আশীৰ্বাদস্বৰূপ হ'ব। ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান বোম্বেৰ সঞ্চালক প্ৰফেচৰ সুভাশীষ চৌধৰী আৰু টাটা মেম'ৰিয়েল চেণ্টাৰৰ সঞ্চালক প্ৰফেচৰ সুদীপ গুপ্তাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে।

০০০০০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি নতুন দিল্লীৰ সংসদ ভৱনত ঢোলপুৰ ৰাষ্ট্ৰীয় সামৰিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে মত-বিনিময় কৰে। ৰাজ্যসভাৰ উদ্যোগত আয়োজিত তিনিদিনীয়া শিক্ষামূলক ভ্ৰমণ কাৰ্যসূচীত এই ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

০০০০০০০

জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধী আৰু কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি ৰাজ্যসভাৰ সাংসদ হিচাপে শপত গ্ৰহণ কৰে। ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে দুয়োকে শপত গ্ৰহণ কৰোৱায়। বিজেপিৰ নেতা আৰ পি এম সিং, জে ডি ইউৰ নেতা সঞ্জয় কুমাৰ ঝা, কংগ্ৰেছৰ নেতা অজয় মাকনসহ আন ১২ গৰাকী নৱনিৰ্বাচিত সাংসদেও আজি শপত গ্ৰহণ কৰে।

০০০০০০০

নতুন দিল্লীস্থিত বিজেপিৰ মুখ্য কাৰ্যালয়ত দলৰ নিৰ্বাচনী ইস্তাহাৰ সমিতিৰ বৈঠক অব্যাহত আছে । বিজেপিৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিঙৰ নেতৃত্বত ২৭ জনীয়আ কমিটিৰ এই দ্বিতীয়খন বৈঠকৰ অন্তত দলে নিৰ্বাচনী ইস্তাহাৰ চূড়ান্ত কৰিব। সভাত দলৰ নেত্ৰী নিৰ্মলা সীতাৰমণ, অশ্বিনী বৈষ্ণৱ, কিৰেণ ৰিজিজুৰ উপৰি বহু জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰে।

আনহাতে, কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, ৰাহুল গান্ধীসহ দলৰ জ্যেষ্ঠ নেতাসকলে কাইলৈ কংগ্ৰেছ দলৰ নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰিব।

০০০০০০০

চিপিআই এমে আজি সমাগত লোকসভা নিৰ্বাচনৰ বাবে দলীয় ইস্তাহাৰ প্ৰকাশ কৰে। দলৰ সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰী আৰু পলিটব্যুৰো সদস্য প্ৰকাশ কাৰাট, বৃন্দা কাৰাট, নিলোৎপল বসু আৰু তপন সেনে নতুন দিল্লীত এই ইস্তাহাৰ মুকলি কৰে। দলে ইস্তাহাৰত চহকী শ্ৰেণীৰ ওপৰত কৰ, উত্তৰাধিকাৰ কৰ আৰু  সাধাৰণ সম্পত্তি কৰ সন্দৰ্ভত আইন প্ৰস্তুত কৰা, ব্যক্তিগত খণ্ডত সংৰক্ষণ, নিৰ্বাচনৰ বাবে চৰকাৰী পুঁজি আহৰণ তথা ৰাজনৈতিক দলসমূহে উদ্যোগজগতৰ পৰা লাভ কৰা বৰঙণিৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ আৰোপৰ বিষয়সমূহ সামৰি লৈছে। চিপিআই এমে ইস্তাহাৰত কৈছে যে, দলটো কামৰ অধিকাৰক সাংবিধানিক অধিকাৰৰূপে অন্তৰ্ভুক্ত কৰিবলৈ বদ্ধপৰিকৰ। দলে লগতে বে-আইনী কাৰ্যকলাপ প্ৰতিৰোধী আইন, ক'লা ধন বৈধকৰণ আইন প্ৰত্যাহাৰ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। ইস্তাহাৰ মুকলি কৰি শ্ৰীয়েচুৰীয়ে কয় যে, দেশৰ গণতান্ত্ৰিক ব্যৱস্থা আৰু ধৰ্ম নিৰপেক্ষ গাঁথনি অধিক শক্তিশালী কৰি তুলিব । তেওঁ লগতে জনসাধাৰণক শাসকীয় বিজেপি আৰু ইয়াৰ মিত্ৰজোঁটসমূহক পৰাভূত কৰি কেন্দ্ৰত এখন বিকল্প চৰকাৰ সুনিশ্চিত কৰিবলৈ আহ্বান জনায়।

০০০০০০০

গুজৰাট টাইটানছ কিছু সময়ৰ পাছত  আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ  এখন খেলত পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

কলকাতা নাইট ৰাইডাৰ্ছে যোৱানিশা বিশাখাপট্টনমত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত দেলহি কেপিটেলছক ১০৬ ৰানত পৰাস্ত কৰে। খেলখনত কলকাতা নাইট ৰাইডাৰ্ছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২৭২ ৰান কৰে। প্ৰত্যুত্তৰত  দেলহি কেপিটেলছে ১৭ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৬৬ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০০০০

ঃসমাপ্তঃ